# 2014

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) টোকাৰী গীতৰ মূল ভাৱ কি?

(খ) ফুলকোঁৱৰৰ গীতবোৰ কোন শ্ৰেণীৰ?

(গ) হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' কোন যুগৰ ৰচনা?

(ঘ) লোকসাহিত্যৰ এটি বিশেষত্ব উল্লেখ কৰাঁ।

(ঙ) নাট্যধৰ্মিতাৰ ফালৰ পৰা শংকৰদেৱৰ কোনখন নাট শ্ৰেষ্ঠ?

(চ) 'জিকিৰ' শব্দৰ অৰ্থ কি?

(ছ) এতিয়ালৈ উদ্ধাৰ হোৱা প্ৰাচীন অসমীয়া লিপিৰ নিদৰ্শন বুলি কোন লিপিক কোৱা হয়?

(জ) ব্ৰাহ্মীলিপিৰ আনুমানিক সময় কিমান বুলি ধৰা হৈছে?

২। চমু টোকা লিখাঁ (যি কোনো চাৰিটা) : ৩×৪=১২

(ক) দুৰ্গাবৰ কায়স্থ

(খ) পাঁচালী সাহিত্য

(গ) চৰ্যাপদ

(ঘ) ডাকৰ বচন

(ঙ) অংকীয়া নাটৰ সূত্ৰধাৰ

(চ) অসমীয়া লিপিৰ প্ৰকাৰভেদ

(ছ) মাধৱ কন্দলি আৰু মহামাণিক্য

৩। চমু উত্তৰ দিয়াঁ : ২×৫=১০

(ক) অংকীয়া নাটৰ দুটা বৈশিষ্ট্য উল্লেখ কৰাঁ।

(খ) বিহুগীত আৰু বনগীতৰ মাজত কিবা পাৰ্থক্য আছেনে?

(গ) 'তাম্ৰধ্বজৰ যুদ্ধ' কাব্যৰ মূল বিষয়বস্তু কি?

(ঘ) মাধৱ কন্দলিৰ 'ৰামায়ণ'ত কেইটা আৰু কি কি খণ্ড আছে?

(ঙ) 'গড়গঞা' আৰু 'কাইথেলী' লিপি নাম দুটাৰ তাৎপৰ্য কি?

৪। (ক) লোকসাহিত্য বুলিলে কি বুজা? লোকসাহিত্যৰ শ্ৰেণী-বিভাজন সম্পৰ্কে আলোচনা কৰি ইয়াৰ বৈশিষ্ট্য নিৰূপণ কৰাঁ। ১০

*অথবা*

(খ) মাধৱ কন্দলিৰ 'ৰামায়ণ'খনিৰ বিশেষত্বসমূহ উল্লেখ কৰি মূল বাল্মীকি 'ৰামায়ণ'ৰ লগত কি কি বিষয়ৰ মিল আৰু অমিল আছে, আলোচনা কৰাঁ।





৫। (ক) শঙ্কৰদেৱ আৰু মাধৱদেৱৰ অংকীয়া শ্ৰেণীৰ নাটবোৰৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ আলোচনা কৰাঁ ১০

*অথবা*

(খ) প্ৰাক্-শংকৰী যুগৰ বৈষ্ণৱ সাহিত্য সম্পৰ্কে এটি আলোচনা যুগুতোৱাঁ।

৬। (ক) ব্ৰাহ্মীলিপিৰ ক্ৰমবিকাশৰ ইতিহাসত অসমীয়া লিপিৰ স্থান সম্পৰ্কে আলোচনা কৰাঁ। ১০

*অথবা*

(খ) চমু টোকা লিখাঁ : ৫×২=১০

হৰিবৰ বিপ্ৰ ; অসমীয়া গীতিসাহিত্য।

★★★